# আম্বানি

## ডা° বিকাশ বৰুৱা

পৃথিৱীত কোনোবা দুখীয়াই বাৰু হেলিকপ্টাৰত উঠি পাইছেনে? আগে-পিছে সোঁৱে-বাঁৱে লাখ লাখ ভক্তক লৈ আলিবাটত সমদল উলিয়াইছেনে? কোটিটকীয়া 'নিৰ্বাচন খেলি' ক'ৰবাত মন্ত্ৰী-বিধায়ক হৈছেনে? প্ৰভুদেৱাৰ ৰূপ লৈ মঞ্চত উঠি নাচিছেনে? জেড প্লাছ ছিকিউৰিটি লৈ দেশৰ সেৱা কৰি ফুৰিছেনে? নাই, অসম্ভৱ, অন্ততঃ এইটো গ্ৰহত কোনো দুখীয়াই কেতিয়াও এনেবিলাক কাম কৰি পোৱা নাই। সেয়েহে ধনীৰাম দাইটিৰ স্পষ্ট কথা—মানুহ ধনী হ'ব লাগে। যিকোনো প্ৰকাৰে। বাই হুক অৰ বাই ক্ৰুক। ধন নাথাকিলে সকলো মিছা। ধনীৰ সন্মুখত দুখীয়াৰ মূৰ অট'মেটিক দোঁ খাই যায়। দাইটিৰ মতে আমি মুকেশ আম্বানি হ'ব নোৱাৰিলেও এটলিষ্ট অনিল আম্বানিকে হ'বলৈ পাৰ্যমানে চেষ্টা কৰা উচিত।

কোটিপতি ধনীৰামক মানুহে ধোনী ৰাম বুলিছিল। এতিয়া এটা নতুন নাম দিছে। 'আম্বানি'।

এখন কিতাপৰ বিজ্ঞাপন দেখিছিলোঁ। 'ধনী হোৱাৰ এশটা উপায়'। নামটো ক'লেই আম্বানিয়ে ঢেকঢেকাই হাঁহে। তেওঁ হেনো ধনী হোৱাৰ কমেও আঢ়ৈ লাখ উপায় দিব পাৰে। আকৌ সেইয়ে সৰু সৰু কাগজবোৰ.. ৰাস্তাত বিলাই ফুৰে.. বেছিভাগ মানুহেই নলয়.. লোৱাবোৰেও লগে লগেই মুচৰি পেলাই দিয়ে.. মই নিজেই হাত পাতি লওঁ আৰু পঢ়িও চাওঁ। তাৰে এখন আম্বানিক দেখুৱালোঁ। দুয়োটা চকু টেলেকা হৈ গ'ল। কাৰণ তাতো টকা ঘটাৰ অসংখ্য উপায়।

"মইতো কৈয়ে থাকোঁ.. ঘটিব জানিলে টকাই টকা। লোকসেৱা আয়োগৰ পৰা মথাউৰিলৈকে.. পথ নিৰ্মাণৰ পৰা সমাজ কল্যাণ, জলসিঞ্চন, তেলৰ পাইপলৈকে.. প্ৰতিটোৱেই এটা এটা সোণৰ খনি। আনকি দুৰ্ঘোৰ কৰ'নাকালতো টকাৰ অভাৱ নাই।"

বিচুৰ্তি খালোঁ। গোটেই পৃথিৱীখনতে এটা মহামাৰী চলি আছে। তাৰ মাজতোনো কোনোবাই টকা ঘটিব পাৰেনে?

পাৰে। "তোমাৰ যদি এখন এম্বুলেন্স টাইপৰ গাড়ী আছে, কেৱল ৰোগী কঢ়িয়ায়েই কোটিপতি হৈ যাবা। যোৰহাটৰ পৰা গুৱাহাটীলৈ পঞ্চাছ হাজাৰ। গুৱাহাটীৰ পৰা তেজপুৰ পোন্ধৰ হাজাৰ। মহানগৰৰ ভিতৰতে তিনি কিল'মিটাৰ বাটত পাঁচ হাজাৰ। যদিহে এখন নাৰ্ছিং হোম আছে, দুমাহ পাছত তুমি ছুলতান অব ব্ৰুনেই। অথবা আৰবৰ শ্বেখ। সাগৰত ছুনামিৰ ঢৌবোৰ দেখিছা নহয়। টকা একদম তেনেকুৱা এটা ষ্টাইলত আহি যাব। দুহেজাৰটকীয়া কোঠাটোৰ বাবদ বিছ হাজাৰ। ৰেমডেছিভিৰ ইঞ্জেকশ্যনটোত সত্তৰ হাজাৰ। অক্সিজেন ছিলিণ্ডাৰ—মিনিমাম আধালাখ। আপোনজনৰ যোৱাথোৱা অৱস্থাত যি দাম ক'বা মানুহে তাকেই দি দিব। ছেণ্টিমেণ্টৰ কথা আছে। দায়িত্বৰ কথা আছে। প্ৰেম-ভালপোৱাৰ কথা আছে।"

ঠিকেই। ঘটোঁ বুলিলে মহাপ্ৰলয়ৰ মাজতো টকা ঘটিব পাৰি। মুঠেই ইচ্ছাটো লাগে।

"আনকি তোমাৰ যদি এখন ঘেগেলা, পুৰণা, বস্তু কঢ়িওৱা গাড়ী আছে তেতিয়াও কোটিপতি হ'বা। কৃষকৰ পৰা এটকাত পাচলি কিনি গাড়ীখনেৰে কঢ়িয়াই আনি নগৰত এশ টকাত বেচিবা। বচ, কাম সিমানেই। তাতে আকৌ আহিবলগীয়া পাঁচটা বছৰত ভোটৰ লেঠাটোও নাই। ইতিমধ্যেই সকলোৱে নাচি-বাগি, চিঞৰি-বাখৰি, নিৰ্বাচন খেলি আজৰি। গতিকে কি চিন্তা? তুমি যিহকে কৰি নাথাকা কিয়, ৰজাই ভুলতো মাত নামাতে। হেঁপাহ পলুৱাই বেপাৰ কৰা। মধ্যভোগী হোৱা। খেতি-বাতি, পঢ়া-শুনা.. একো কৰাৰ দৰকাৰ নাই।"

দুখৰ দিনতো আম্বানিয়ে ওঁঠত হাঁহি বিৰিঙাই দিলে। "চোৱা। ভেক্সিনৰ ব্যৱসায় কৰি মানুহ মাল্টিবিলিঅ'নাৰ হৈছে। পেৰাছিটামল আৰু কফ ছিৰাপ খুৱাই চল্লিছ হাজাৰ সৰকাইছে। পাঁচ-ছহাজাৰত অক্সিমিটাৰ বেচিছে। পিপিই কিট, ছেনিটাইজাৰ আৰু সামান্য মুখাখনৰ বাবদ সোতৰ হাজাৰ। দহ দিনত চিকিৎসাৰ খৰচ ছয় লাখ। সাধাৰণ কৰ'না বেমাৰী এটাক সুস্থ কৰোঁতে হেনো পাঁচশ টকাও খৰচ নহয়। কিন্তু 'পেকেজ' কেইবালাখ টকাৰ। ডে'ডবডি নিবলৈকো লাখৰহে হিচাপ।"

"তোমাৰ বাৰীত খাব পৰা বস্তু কি আছে?"

"আমলখি, আঙুৰ, ঔটেঙা, তামোল, নাৰিকল, জামু, আম, কঁঠাল, জলফাই.."

"এই আটাইকেউটাই মিলি কৰ'নাক সবংশে ধ্বংস কৰে বুলি ফে'ছবুকত প'ষ্ট দি দিয়া। বচ, পাছদিনা ৰাতিপুৱাই দেখিবা—বাৰী উদং আৰু তুমি মেছুল ছাকছি হৈ বহি আছা। প্ৰতিটো আমলখিত পাঁচশ, ঔটেঙাত সাতশ, তামোলত.."

আম্বানিয়ে এইবাৰ আটাইতকৈ ভাল খবৰটো দিলে। কৰ'না অমৰ। গোটেই পৃথিৱীখনে অপাৰ চেষ্টা কৰিও মাৰিব নোৱাৰিলে। গোমূত্ৰৰ পৰা গংগাজললৈকে, থাল-বাটি বজোৱাৰ পৰা মহাৰুদ্ৰলৈকে বহুত কিবাকিবি কৰা হ'ল। কোনোপধ্যেই নমৰিল। ভেক্সিন ওলোৱাৰে পৰা টিঘিলঘিলনি বেছিহে হ'ল। সাইলাখ মহিষাসুৰ। দেৱীয়ে প্ৰতি বছৰেই মাৰে। পাছৰ বছৰ আকৌ ওলায়হি। চেহেৰা-পাতি আগতকৈও ধুনীয়াহে হয়। ৰহস্যটো কি স্বয়ং দেৱীয়েও নাজানে।

"কিন্তু কৰ'না অমৰ, সেইটো কেনেকৈ ভাল খবৰ হ'ল?"

"নিশ্চিতভাৱে ভাল খবৰ। কৰ'না যিহেতু নমৰেই, কোটিটকীয়া বেপাৰবোৰ অনন্ত কাললৈ চলি থাকিব। বেপাৰীৰ একদ্দমেই মৰণ নাই। আমি আনকি শ্মশানবিলাকত খৰিও ছাপ্লাই কৰিম।"

"খৰি..?"

"ওঁ, খৰি। কৰ'না মৰক বা নমৰক, মানুহতো মৰিবই। মেন ইজ মৰ্টেল। এদিন উপজিলে আন এদিন মৰাটো স্বয়ং ভগৱন্ত প্ৰভুৱে কৰা নিয়ম। কৰ'নাতেই মৰক বা চুলাই খায়েই মৰক, মৰাৰ লগে লগে 'খৰি দিয়া'টো সংবিধানৰ অন্য এটা বিধান। গতিকে শ্মশানত দ'ম দ'ম খৰি লাগিব। বৰ্তমান সোণ আৰু খৰিৰ দাম একেই। কেৱল খৰিৰ যোগান ধৰিয়েই আমি কোটিপতি হৈ যাম।"

আম্বানিয়ে এইটোও বুজালে যে আপোনজনৰ শৰদেহটো জ্বলাবলৈ লৈ কোনো মানুহেই শ্মশানত বহি টকা-পইচাৰ হিচাপ কৰি নাথাকে। তেনে এটা এক্সট্ৰিমলি ছেণ্টিমেণ্টেল মুহূৰ্তত যেয়ে যিহৰে যি দাম ক'ব মানুহে তাকেই দি দিব। আপদে-বিপদে খৰচ কৰিবলৈকেতো আমি টকা-পইচাবোৰ ঘটোঁ। হয়নে নহয়?

ঠিকনা ঃ ক্লাব ৰ'ড, যোৰহাট-৭৮৫০০১,
ফোন ঃ ৮৬৩৮০২৮৭৯৯
e-mail : dr.bikaasbarooa@gmail.com